# জাননী

নং-জি.ডি.জি.১৩১/২০২২/
দিনাংক-২২/১২/২০২২ ইং

ইয়াৰ দ্বাৰা সমূহ গোৱালপাৰাবাসী ৰাইজক জনোৱা হয় যে যোৱা কিছুদিনৰ পৰা অৰুণোদয় ২.০ আঁচনিৰ অধীনত হিতাধিকাৰী বাচনিৰ নামত কিছুমান অসাধু চক্ৰই নিৰীহ সাধাৰণ ৰাইজৰ পৰা ধন দাবী কৰি আছে বুলি বিভিন্ন সূত্ৰ যোগে গোৱালপাৰা জিলা প্ৰশাসনৰ দৃষ্টিগোচৰ হৈছে। এইক্ষেত্ৰত আপোনালোকক জনোৱা হয় যে অৰুণোদয় ২.০ আঁচনিখন অতিকে দুখীয়া-দৰিদ্ৰ, বিধৱা, শাৰীৰিকভাৱে অক্ষম আদি ব্যক্তিলৈ কিছু আৰ্থিক সকাহ দিয়াৰ বাবে অসম চৰকাৰে ৰাইজলৈ আগবঢ়োৱা এখনি আঁচনি।

অসম চৰকাৰে বান্ধি দিয়া লক্ষ্য আগত ৰাখি সম্পূৰ্ণ স্বচ্ছ, নিকা তথা চৰকাৰী নিয়ম-নীতিৰে উক্ত আচনিখন গোৱালপাৰা জিলাতো ৰূপায়ন কৰি থকা হৈছে।

গতিকে, উক্ত আঁচনিখনৰ অধীনত হিতাধিকাৰী বাচনি বা অন্তৰ্ভুক্তিৰ নামত যদি কোনো অসাধু ব্যক্তি, দল বা চক্ৰই ধন দাবী বা সংগ্ৰহ কৰা পৰিলক্ষিত হয়, তেন্তে ততালিকে নিকতৱৰ্ত্তী আৰক্ষী থানাত অৱগত কৰিবলৈ সকলোকে ইয়াৰে আহ্বান জনোৱা হ'ল।

উপায়ুক্ত, গোৱালপাৰা

স্মাৰক নং-জি.ডি.জি.১৩১/২০২২/ (ক) দিনাংক-২২/১২/২০২২ ইং
প্ৰতিলিপিঃ

১) আৰক্ষী অধীক্ষক, গোৱালপাৰাৰ জ্ঞাতাৰ্থে ও বিহিতাৰ্থে প্ৰেৰণ কৰা হ'ল।
২) জিলা তথ্য প্ৰযুক্তিবিজ্ঞান বিষয়া, ৰাষ্ট্ৰীয় তথ্য প্ৰযুক্তিবিজ্ঞান কেন্দ্ৰ, গোৱালপাৰা। তেখেতক উক্ত জাননীখন গোৱালপাৰা জিলা ৱেবচাইট, ফেচবুক পেজ ইত্যাদি যোগে বহুল প্ৰচাৰাৰ্থে প্ৰেৰণ কৰা হ'ল।
৩) জিলা তথ্য ও জনসংযোগ বিষয়া, গোৱালপাৰা লৈ বহুল প্ৰচাৰাৰ্থে প্ৰেৰণ কৰা হ'ল।
৪) গোৱালপাৰা জিলাৰ সমূহ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ জ্ঞাতাৰ্থে ও বিহিতাৰ্থে প্ৰেৰণ কৰা হ'ল।

উপায়ুক্ত, গোৱালপাৰা

Scanned with Oken Scanner